## ১.৬ ভাষা অধ্যয়নৰ সংক্ষিপ্ত ইতিহাস

### ১.৬.১ প্ৰাচীন যুগ

প্ৰাচ্য আৰু পাশ্চাত্য উভয় দেশৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায়, পৃথিৱীত মাত্ৰ দুটা জাতিয়ে সুদূৰ অতীতৰে পৰা সম্পূৰ্ণ স্বাধীনভাৱে ভাষা-অধ্যয়নৰ একোটাহঁত ঐতিহ্যপূৰ্ণ পৰম্পৰাৰ সৃষ্টি কৰিছে ঃ প্ৰাচ্যত ভাৰতীয় আৰ্যসকল আৰু পাশ্চাত্যত গ্ৰীকসকল। ভাৰতবৰ্ষত যিদৰে অতিশয় পৱিত্ৰৰূপে চিহ্নিত বেদ-সম্পদৰ বিশুদ্ধতা ৰক্ষাৰ চিন্তাৰে ভাষা-চৰ্চাৰ উদ্ভৱ হৈছিল, গ্ৰীচ দেশতো তেনেদৰে ধ্ৰুপদী গ্ৰীক সাহিত্য, বিশেষকৈ হোমাৰৰ 'ইলিয়াড' আৰু 'ওডিছি'-ৰ পাঠ শুদ্ধ ৰূপত ধৰি ৰাখিবলৈ তেনে চিন্তাৰ সূচনা হৈছিল। অৱশ্যে ভাৰতীয় ভাষা-চিন্তাৰ পৰম্পৰাত প্ৰথমৰে পৰা যি অবিসম্বাদী বিজ্ঞানসন্মত পদ্ধতিৰ অৱলম্বন লক্ষ্য কৰা যায়, তাৰ তুলনাত গ্ৰীক পৰম্পৰা আছিল কিছু বিশৃঙ্খল আৰু অসংহত। তদুপৰি, দুয়ো দেশৰ ভাষা-চিন্তাৰ কালগত ব্যৱধানো কেইবাশতিকা জোৰা। সেয়ে হ'লেও, অৱশেষ বিচাৰত উভয় দেশৰ ভাষা-চিন্তাত একেই ৰক্ষণশীল দৃষ্টিভঙ্গী প্ৰত্যাক্ষ কৰা যায়।

ভাৰতীয় ভাষা-চিন্তাৰ প্ৰথম উন্মেষ বেদৰ সংহিতা স্তৰতে হৈছিল। 'কৃষ্ণ যজুৰ্বেদ'-ত উল্লিখিত ইন্দ্ৰই ভাষাক 'ব্যাকৃত' কৰা ঘটনাটো তাৰেই উদাহৰণ। পৰৱৰ্তী ব্ৰাহ্মণ স্তৰত ই কিছু পদ্ধতিগত ৰূপ পায়। 'ব্যাকৰণ' শব্দটোৰ প্ৰথম উল্লেখো পোৱা যায় অথৰ্ববেদৰ 'গোপথ ব্ৰাহ্মণ'-ত। অৱশ্যে এই সময়ৰ ভাষা-চৰ্চা আছিল কিছু বিক্ষিপ্ত প্ৰকৃতিৰ। অৱশেষত উত্তৰ-বৈদিক যুগৰ শিক্ষা-ব্যৱস্থাৰ মূল ভেঁটি স্বৰূপ বেদাঙ্গসমূহৰ মাজেৰে ই পূৰ্ণাঙ্গ ৰূপ লাভ কৰে। ষড় বেদাঙ্গৰ চাৰিটা অঙ্গঃশিক্ষা, নিৰুক্ত, ছন্দ আৰু ব্যাকৰণে প্ৰাচীন ভাৰতবৰ্ষত ভাষা-শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। মুঠতে খ্ৰীঃ পূঃ ১২০০-৮০০-ৰ সময়ছোৱাত ভাৰতত ভাষা-চৰ্চাৰ যি ব্যৱস্থা প্ৰৱৰ্তিত হৈছিল সি আনুমানিক ৮০০-৬০০ খ্ৰীঃ পূৰ্বাব্দৰ ভিতৰত পূৰ্ণাঙ্গ ৰূপ পায়। 'ব্যাকৰণ'-ৰূপে জনাজাত এই বিদ্যাই বেদৰ শুদ্ধ পাঠ অক্ষুণ্ণ ৰখাত সহায় কৰিছিল। একোগৰাকী শিষ্যই সুদীৰ্ঘ বাৰ বছৰ জুৰি কেৱল ব্যাকৰণ অধ্যয়ন কৰিবলগীয়া হোৱাটোৱে (দ্বাদশভিঃ বৰ্ষৈঃ ব্যাকৰণং শ্ৰূয়তে) প্ৰাচীন ভাৰতত ভাষা-চৰ্চাৰ গুৰুত্ব কিমান আছিল তাৰ প্ৰমাণ দাঙি ধৰে।

বি- পূৰ্বক আ- পূৰ্বক কৃ ধাতুত অন্ (অনট্) প্ৰত্যয়ৰ সংযোগত নিষ্পন্ন 'ব্যাকৰণ' শব্দটোৱে ভাষাৰ 'বিশেষ আৰু বিস্তৃত ব্যাখ্যান' বুজায়। ই মূলতঃ শব্দ-বিশ্লেষণমূলক শাস্ত্ৰ। বেদৰ ভাষাৰ গঠন-প্ৰক্ৰিয়াৰ শুদ্ধ জ্ঞান প্ৰদান কৰাৰ লক্ষ্যেৰে প্ৰৱৰ্তিত ব্যাকৰণক সেই বাবেই 'শব্দানুশাসন' বোলা হৈছিল।

ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ পৰিপূৰ্ণ বিকাশ ঘটে মহৰ্ষি পাণিনিকৃত 'অষ্টাধ্যায়ী'-ৰ মাজেৰে। 'মানৱ বুদ্ধিমত্তাৰ সৰ্বোত্তম কীৰ্তিস্তম্ভ' হিচাপে অভিহিত এই ব্যাকৰণখন আনুমানিক খ্ৰীঃ পূঃ পঞ্চম শতাব্দীত ৰচিত হৈছিল। পাণিনিকৃত এই ব্যাকৰণখনৰ মহত্বলৈ লক্ষ্য কৰি সংস্কৃত ব্যাকৰণৰ ইতিহাস-চৰ্চাত পাণিনিক মধ্যমণি হিচাপে লৈ প্ৰাক-পাণিনীয়, পাণিনীয় আৰু উত্তৰ-পাণিনীয়—এই তিনিটা

Scanned with CamScanner

প্ৰধান ধাৰাৰ উল্লেখ কৰা হয়। সংক্ষিপ্ততা, শৃঙ্খলাবদ্ধতা আৰু অপূৰ্ব শিল্প-নৈপুণ্যৰ গুণেৰে সুসমৃদ্ধ 'অষ্টাধ্যায়ী'-ৰ প্ৰভাব ভাৰতীয় ব্যাকৰণ পৰম্পৰাত ইমানেই ব্যাপক যে পৰৱৰ্তী ভাৰতীয় ব্যাকৰণকাৰসকলে সংস্কৃতৰ উপৰি পৰৱৰ্তী পালি-প্ৰাকৃত ভাষাৰ ব্যাকৰণসমূহো পাণিনীয় আদৰ্শেৰে প্ৰণয়ন কৰিছিল। পাণিনিৰ অব্যৱহিত পৰৱৰ্তী কালত সূত্ৰশৈলীৰ চুম্বকীয় আৰ্হিৰে ৰচিত 'অষ্টাধ্যায়ী'-ৰ দুৰূহতালৈ লক্ষ্য কৰি তাৰ টীকা-ভাষ্য ৰচনা কৰা হয়। এইবোৰৰ ভিতৰত খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰ কাত্যায়ন প্ৰণীত 'বাৰ্তিক' আৰু খ্ৰীঃ পূঃ ২য় শতাব্দীত পতঞ্জলিকৃত 'মহাভাষ্য'-ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সংস্কৃত ব্যাকৰণ পৰম্পৰাত পাণিনি, কাত্যায়ন আৰু পতঞ্জলিক একেলগে 'মুনিত্ৰয়ম্' আখ্যা দিয়া হৈছে। পাণিনিৰ পৰৱৰ্তী কালত ঐন্দ্ৰ, চান্দ্ৰ, কাতন্ত্ৰ, জৈনেন্দ্ৰ, শাকটায়ন, হেমচন্দ্ৰ, সৰস্বতী কণ্ঠাভৰণ, সাৰস্বত, মুগ্ধবোধ, সৌপদ্ম, জৌমৰ, নব্যন্যায় আদি কেইবাটাও ব্যাকৰণ-ধাৰাৰ প্ৰতিষ্ঠা লক্ষ্য কৰা যায়। ইয়াৰ উপৰি, কেতবোৰ আঞ্চলিক ধাৰাৰো সৃষ্টি হৈছিল। আনকি কেইবাগৰাকী ইউৰোপীয় পণ্ডিতেও সংস্কৃত ব্যাকৰণ প্ৰণয়ন কৰা দেখা যায়। তদুপৰি, খৃঃ পূঃ দ্বিতীয় শতাব্দীৰ তামিল ব্যাকৰণ 'টল্কাপ্পিয়াম' আৰু তিব্বতী ব্যাকৰণ পৰম্পৰাতো পাণিনীয় ব্যাকৰণ-পদ্ধতিৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি।

পাণিনিয়ে বৈদিক ভাষাৰ শিষ্ট ৰূপটোৰ গঠন-পদ্ধতিৰ বিতং বিশ্লেষণ কৰি বৰ্ণনামূলক ভাষা-বিশ্লেষণৰ এনে এক ৰীতি প্ৰতিষ্ঠা কৰিছিল যে কেৱল সংস্কৃতেই নহয়, পালি-প্ৰাকৃত ব্যাকৰণসমূহো সেই আদৰ্শৰ অনুগামী হৈ পৰিছিল। কিন্তু, মাত্ৰাধিক ৰক্ষণশীলতা আৰু ভাষাৰ বিশুদ্ধ প্ৰয়োগৰ প্ৰতি দায়বদ্ধতা দেখুৱা হেতুকে বিশ্লেষণ-ৰীতি বৰ্ণনামূলক হোৱা সত্ত্বেও ভাৰতীয় ব্যাকৰণ পৰম্পৰা **নিদানমূলক (Prescriptive)** বা **নিৰ্দেশাত্মক (Normative)**-ৰূপে পৰিগণিত হ'ল।

ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ প্ৰায় সমসাময়িকভাৱে পাশ্চাত্যৰ গ্ৰীচ দেশত হোমাৰীয় মহাকাব্যৰ ভাষাৰ সংৰক্ষণৰ লক্ষ্যেৰে ভাষা-চিন্তাৰ উদ্ভৱ ঘটে। গ্ৰীক মনীষী প্লেটোৰ (খ্ৰীঃ পূঃ ৪২৮-৩৪৭) দাৰ্শনিক 'সংলাপ' (Dialogue) 'ক্ৰেটিলাছ' (Cratylus)-তে পোনতে ভাষা-চিন্তাৰ বীজ প্ৰোথিত হয়। তেওঁ আন দুখন গ্ৰন্থ— 'ছ'ফিষ্ট' (Sophist) আৰু 'থিয়েটাছ' (Theaetus)-তো ভাষা-বিষয়ক চিন্তাৰ সন্নিৱেশ লক্ষ্য কৰিব পাৰি। 'ক্ৰেটিলাছ'-ত ছক্ৰেটিছ-হাৰ্মজেনেছ আৰু ছক্ৰেটিছ-ক্ৰেটিলাছৰ কথোপকথনৰ মাধ্যমেৰে ভাষা স্বাভাৱিকভাৱে পৰম্পৰাৰ পৰা আহৰিত নে প্ৰকৃতি জগতৰ পৰা উদ্ভূত তেনে বিতৰ্কৰ অৱতাৰণা কৰা হৈছে। এই বিতৰ্কই পৰৱৰ্তী সময়ত গ্ৰীচ দেশত **পৰম্পৰাবাদী (Conventionalist)** আৰু **স্বাভাৱিকতাবাদী (Naturalist)** এই দুটা শিবিৰৰ জন্ম দিয়ে। এই দুটা শিবিৰৰ পৰা পাছত ক্ৰমে **বিসঙ্গতিবাদী (Anomalists)** আৰু **সাদৃশ্যবাদী (Analogists)** ধাৰাৰ উদ্ভৱ হয়।

প্লেটোৰ যোগ্য উত্তৰাধিকাৰী এৰিষ্টটলে (খ্ৰীঃ পূঃ ৩৮৪-৩২২) ভাষাৰ

Scanned with CamScanner

উপাদান তথা বৈয়াকৰণিক দিশবোৰৰ বিশদ আলোচনা আগবঢ়াইছিল। তেওঁৰ অন্যতম উল্লেখযোগ্য কৃতি 'প'য়েটিকছ' (**Poetics**)-ত ২০ৰ পৰা ২২নং অধ্যায়লৈ অকল ভাষা-বিষয়ক আলোচনা অন্তৰ্ভুক্ত হৈছে। ভাষা-বিশ্লেষণত সততে ব্যৱহাৰ হোৱা শব্দৰ শ্ৰেণীবিভাগ, উদ্দেশ্য, বিধেয়, সংযোজক (**Copulus**) আদি পাৰিভাষিক শব্দবোৰ এইজনা গ্ৰীক চিন্তাবিদৰে আৱিষ্কাৰ।

এৰিষ্ট'টলৰ পাছত খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰ দাৰ্শনিক জেনোৰ দ্বাৰা প্ৰতিষ্ঠিত **ষ্টইক (Stoics)** দাৰ্শনিক সম্প্ৰদায়ে ভাষাৰ আলোচনাক এক স্বতন্ত্ৰ জ্ঞান-শাখাৰূপে প্ৰতিষ্ঠা কৰাত উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। পাশ্চাত্য ভাষা-অধ্যয়ন পৰম্পৰাৰ পৰৱৰ্তী বিকাশ এই ধাৰাটোৰ পৰা আহৰিত তত্ত্ব আৰু আৰু পৰিভাষাৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি ক'লেও ভুল কোৱা নহয়।

ষ্টইক ধাৰাৰ ভাষা-চিন্তাই পৰৱৰ্তী আলেকজেন্দ্ৰীয়সকল (**Alexandrians**)-ৰ হাতত পূৰ্ণাঙ্গ ৰূপ লাভ কৰে। এই ধাৰাৰ বিশিষ্ট পণ্ডিত ডায়'নিছিয়াছ থ্ৰাক্স (১৭০-৯০ খ্ৰীঃ পূঃ)-এ **'টেক্‌না গ্ৰামাটিকা' (Tekné grammatiké)** নামৰ ব্যাকৰণ ৰচনাৰে গ্ৰীক ভাষা-চিন্তাক পোন প্ৰথম পদ্ধতিগত ৰূপ প্ৰদান কৰে। এই ব্যাকৰণখন গ্ৰীচ দেশত পৰৱৰ্তী প্ৰায় এহেজাৰ বছৰৰো অধিক কাল সৰ্বমান্যৰূপে চলিছিল।

আলেকজেন্দ্ৰীয় ধাৰাৰ দৃষ্টিভঙ্গীৰে গ্ৰীক বাক্যতত্ত্বৰ পোন প্ৰথম পদ্ধতিগত বিশ্লেষণ আগবঢ়ায় এপ'লনিয়াছ ডাইছক'লাছ (খ্ৰীঃ দ্বিতীয় শতাব্দী) নামৰ এগৰাকী বৈয়াকৰণে। এওঁৰ পুত্ৰ হেৰ'ডিয়ানাছেও গ্ৰীক ভাষাৰ অধ্যয়নত প্ৰভূত বৰঙণি যোগায়।

প্লেটোৰ পৰা হেৰ'ডিয়ানাছ পৰ্যন্ত এই সময়ছোৱাৰ গ্ৰীক ভাষা-চিন্তা আছিল সম্পূৰ্ণভাৱে লিখিত ভাষাৰ ওপৰত আধাৰিত। গ্ৰীক 'গ্ৰামাটিকা' অভিধাই ব্যুৎপত্তিগতভাৱে 'লেখন-কলা' (**The art of writing**) বুজোৱাটোৱেও তাৰেই ইঙ্গিত দিয়ে। যদিও উচ্চাৰণ সম্বন্ধে দৰকাৰী কথা কিছু আলোচনালৈ অনা হৈছিল আৰু লিখন-ৰীতিত তাৰ ধাৰণা দিবলৈ **প্ৰস্বন-চিহ্ন (Accent marks)** ব্যৱহাৰ কৰা হৈছিল, তথাপি ধ্বনিগত দিশতকৈ ৰূপতত্ত্ব আৰু শব্দ-ব্যুৎপত্তিৰ দিশৰ প্ৰতিহে ব্যাকৰণকাৰসকল অধিক আগ্ৰহী আছিল। ফলত ভাষাৰ আলোচনাত প্ৰায়োগিক শুদ্ধতা আৰু শৈলীগত নৈপুণ্যৰ অনুপ্ৰৱেশ ঘটে।

গ্ৰীচ দেশ ৰোমৰ অধীনলৈ অহাৰ পাছত খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰ পৰা গ্ৰীক ব্যাকৰণৰ আৰ্হিত লেটিন ভাষাৰ ব্যাকৰণ প্ৰণয়নৰ কাম আৰম্ভ হয়। এই সময়ৰ এক উল্লেখযোগ্য বৈয়াকৰণিক কৰ্ম হ'ল মাৰ্কাছ টেৰেন্টিয়াছ ৱাৰ' (খ্ৰীঃ পূঃ ১১৬-২৭)-ৰ চাব্বিশটা খণ্ডযুক্ত 'দ্য লিংগুআ লেটিনা' নামৰ ব্যাকৰণখন। এৱেঁই প্ৰথমে শব্দ-ব্যুৎপত্তি, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব—এই তিনিটা শিতানত ভাগ কৰি লেটিন ব্যাকৰণক শ্ৰেণীবদ্ধ কৰে। ৱাৰ'ৰ পাছত চিচেৰ' (খ্ৰীঃ পূঃ ১০৬-৪৩), কুইন্টিলিয়ানাছ (খ্ৰীঃ ১ম শতিকা), এলিয়াছ ড'নাটাছ (খ্ৰীঃ ৪ৰ্থ শতিকা), পিশ্চিয়ান (খ্ৰীঃ ৫ম-৬ষ্ঠ শতিকা) আদি কেইবাগৰাকী ৰোমান পণ্ডিতে লেটিন



Scanned with CamScanner

ভাষাৰ আলোচনাত মনোনিৱেশ কৰিছিল। এইসকলৰ ভিতৰত প্ৰিশ্চিয়ানৰ 'ইনষ্টিটিউশ্যনছ গ্ৰামাটিকা' সমগ্ৰ মধ্যযুগ জুৰি লেটিন ভাষা-শিক্ষাৰ এক উপযোগী গ্ৰন্থৰূপে বিবেচিত হৈছিল।

ৰোমান যুগৰ ব্যাকৰণ-চিন্তাই লেটিন ভাষা-বিশ্লেষণক যি আৰ্হি দি থৈ গৈছিল, সি নৱজাগৰণ পৰ্যন্ত সমগ্ৰ মধ্যযুগ সামৰি ভাষা-শিক্ষাৰ এক ভিত্তিৰূপে পৰিগণিত হৈছিল। এই আৰ্হিয়েই ব্যাকৰণক 'ভাষা শুদ্ধকৈ কোৱা আৰু লিখাৰ কৌশল সম্বলিত পুথি'-লৈ পৰ্যবসিত কৰে।

### ১.৬.২ মধ্যযুগ

ইউৰোপৰ ইতিহাসত ৰোমান সাম্ৰাজ্যৰ পতনৰ পৰা নৱজাগৰণৰ উন্মেষলৈকে এই সময়ছোৱা মধ্যযুগ হিচাপে জনা যায়। এই যুগৰ শিক্ষা-ব্যৱস্থা আছিল সপ্তকলাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰে ব্যাকৰণ, তৰ্কবিদ্যা আৰু অলঙ্কাৰ-শাস্ত্ৰক ত্ৰিপন্থা **(Trivium)** আৰু সঙ্গীত, অঙ্কশাস্ত্ৰ, জ্যামিতি আৰু জ্যোতিৰ্বিদ্যাক চতুৰপন্থা **(Quadrivium)** বোলা হৈছিল। কিন্তু এই সকলোৰে ভিতৰত ব্যাকৰণ শাস্ত্ৰৰ অধ্যয়ন অতিশয় গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছিল। ইতিমধ্যে লেটিন ভাষা বিভিন্ন ৰোমান্স ভাষালৈ পৰিৱৰ্তিত হোৱাত ধ্ৰুপদী লেটিনৰ বিশুদ্ধতাৰ ধাৰণা পূৰ্বতকৈও দৃঢ় হয় আৰু ব্যাকৰণ হয়গৈ প্ৰাচীন ভাষাটোৰ ধৰা-বন্ধা কেতবোৰ নিয়মৰ সমষ্টি। এইছোৱা সময়ত পূৰ্বৰ বৈয়াকৰণিক কৰ্মবোৰৰ টীকা-ভাষ্যও ৰচিত হোৱা দেখা যায়। খ্ৰীঃ সপ্তম, অষ্টম আৰু দশম শতিকাত ক্ৰমে বেডে, এলচুইন আৰু এইলফ্ৰিচ নামৰ তিনিগৰাকী বৈয়াকৰণে একোখনকৈ লেটিন ব্যাকৰণ ৰচনা কৰে।

মধ্যযুগৰ দ্বিতীয় ভাগত, অৰ্থাৎ একাদশ খ্ৰীষ্টাব্দৰ পৰা নৱজাগৰণ পৰ্যন্ত প্ৰান্তীয় ভাষাসমূহৰ ব্যাকৰণ ৰচনাৰ প্ৰতি ব্যাকৰণকাৰসকল আগ্ৰহী হৈ উঠা পৰিলক্ষিত হয়। খ্ৰীঃ দ্বাদশ শতাব্দীত আইচলেণ্ডীয় আৰু খ্ৰীঃ ত্ৰয়োদশ শতিকাত ওৱেলছ ভাষাৰ ব্যাকৰণ ৰচিত হোৱাটোৱেই তাৰ প্ৰমাণ।

খ্ৰীঃ ত্ৰয়োদশ-চতুৰ্দশ শতাব্দীত ইউৰোপত বিকশিত 'স্পেকুলেটিভ গ্ৰামাৰ'-ত ব্যাকৰণৰ অন্তৰ্গত বিভিন্ন বিষয়বোৰ দৰ্শন-বিদ্যাৰ আধাৰত ব্যাখ্যা কৰাৰ এক নতুন প্ৰচেষ্টা চলে। **ম'ডিষ্টেই (Modistae)**-ৰূপে জনাজাত এই ব্যাকৰণ-গোষ্ঠীটোৱে 'ব্যাকৰণৰ আৱিষ্কাৰক কোনো বৈয়াকৰণ নহয়, বৰং দাৰ্শনিকসকলহে' বুলি বৈয়াকৰণিক নিয়মবোৰৰ সৰ্বশেষ ব্যাখ্যাৰ বাবে দৰ্শন-বিদ্যাক আধাৰ হিচাপে গ্ৰহণ কৰে। **এৰফুৰ্টৰ টমাছ (Thomas of Erfurt)**-ৰ দ্বাৰা ১৩১০ খ্ৰীঃ ত ৰচিত 'গ্ৰামাটিকা স্পেকুলেটিভা' এই ধাৰাৰ সৰ্বোত্তম নিদৰ্শন।

মধ্যযুগত শব্দকোষ-প্ৰণয়ন আৰু অনুবাদ কাৰ্যয়ো বিশেষ গুৰুত্ব লাভ কৰে। কোৰআনক কেন্দ্ৰ কৰি আৰবী ভাষাৰ বিশ্লেষণেও এইছোৱা সময়ত এক সবল গতি লাভ কৰে।

Scanned with CamScanner

### ১.৬.৩ নৱজাগৰণৰ যুগ

খ্ৰীঃ চতুৰ্দশ-যোড়শ শতাব্দীত ইউৰোপত ধ্ৰুপদী জগতখনৰ পুনঃ আৱিষ্কাৰেৰে আৰম্ভ হোৱা ৰেনেছাঁ বা নৱজাগৰণে ভাষা-অধ্যয়নৰ ক্ষেত্ৰখনকো বিশেষভাৱে প্ৰভাৱান্বিত কৰে। মধ্যযুগত ভাষা বুলিলে গ্ৰন্থাবদ্ধ লেটিন ভাষাক বুজাইছিল। নৱজাগৰণে এনে সংকীৰ্ণতা আঁতৰাই প্ৰান্তীয় ভাষাসমূহকো সমান মৰ্যাদা প্ৰদান কৰে। এইছোৱা সময়তে সুদূৰ প্ৰাচ্যলৈ অহা মিছনেৰীসকলে বিপুল পৰিমাণৰ ভাষাতাত্ত্বিক সম্ভাৰ ইউৰোপলৈ সৰবৰাহ কৰে। ভাষাতত্ত্বৰ চৈনিক ধাৰাৰ আৱিষ্কাৰ, আৰবী আৰু হিব্ৰু-অধ্যয়নৰ ক্ষেত্ৰত হোৱা প্ৰগতি আদি এই যুগৰ উল্লেখযোগ্য ভাষাতাত্ত্বিক অৱিহণা।

ইউৰোপীয় ভাষাবোৰৰ ভিতৰত ইটালী আৰু স্পেনীয় ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰণয়ন হয়—খ্ৰীঃ পঞ্চদশ শতিকাত। ৰোমান্স ভাষাবোৰৰ অধ্যয়নে পূৰ্বতকৈ অধিক প্ৰণালীবদ্ধ ৰূপ পায়। ভালেমান ভাষাত অভিধান প্ৰণয়নৰ বৃহৎ আঁচনি লোৱা হয়। ইতিমধ্যে ছপাযন্ত্ৰৰ আৱিষ্কাৰে ভাষা-চৰ্চাৰ পথ আৰু অধিক সুগম কৰি তোলে। তদুপৰি, মুদ্ৰণ ব্যৱস্থাই ভাষাৰ সাধুৰূপ (**Standard form**)-ৰ সৃষ্টিতো বিশেষ অৱিহণা যোগায়।

ভাষা-অধ্যয়নে ক্ৰমাগতভাৱে আধুনিকতাৰ ফালে অগ্ৰগতি লাভ কৰাৰ সময়ত কেতবোৰ নতুন দাৰ্শনিক চিন্তাৰো উদ্‌গম ঘটে। অষ্টাদশ শতিকাত মানৱ-জ্ঞানৰ উৎস-সন্ধানৰ ভিত্তিত জন্ম হোৱা **'যুক্তিবাদী'** (**Rationalists**) আৰু **'অভিজ্ঞতাবাদী'** (**Empiricists**) চিন্তাধাৰাই ভাষা-অধ্যয়নতো বিশেষ প্ৰভাৱ পেলায়। ইতিমধ্যে সপ্তদশ-অষ্টাদশ শতিকাত যোগাযোগৰ বিশ্বজনীন মাধ্যমৰূপে লেটিন ভাষা অপসাৰিত হোৱাত নতুনকৈ **'বৈশ্বিক ব্যাকৰণ'** (**Universal grammar**)-ৰ এক ধাৰণা মূৰ দাঙি উঠে। এই ক্ষেত্ৰত ফ্ৰান্সৰ **প'ৰ্ট ৰয়েল কনভেন্ট**-ৰ **Grammaire generale et raisonee** বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ উপৰি, পূৰ্বৰে পৰা চলি অহা পৰম্পৰাগত ব্যাকৰণ ধাৰাই পঢ়াশলীয়া পাঠ্যক্ৰমৰ মাধ্যমেৰে যথেষ্ট প্ৰসাৰ লাভ কৰে। ইয়াৰ পাছত ঊনবিংশ শতিকাৰ দুৱাৰদলিত ১৭৮৬ খ্ৰীঃত ছাৰ উইলিয়াম জ'নছে কলিকতাৰ ৰয়েল এছিয়াটিক ছ'চাইটিৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সংস্কৃত, গ্ৰীক আৰু লেটিনৰ সম্পৰ্ক দেখুৱাই যি লিখিত ভাষণ প্ৰদান কৰিছিল, তাৰ আধাৰত ভাষাৰ ঐতিহাসিক আৰু তুলনাত্মক অধ্যয়ন আৰম্ভ হয় আৰু ভাষা-অধ্যয়নৰ গতিপথেও নতুন মোৰ সলাই ভাষাতত্ত্বৰ জগতত প্ৰৱেশ কৰে।

### ১.৬.৪ আধুনিক যুগ

পাশ্চাত্য ইতিহাসত ৰেনেছাঁকে আধুনিক যুগৰ সূচনা কালৰূপে গণ্য কৰা হয় যদিও, ভাষা-অধ্যয়নে অষ্টাদশ শতিকাৰ অন্তিম ভাগতহে পূৰ্বৰ পৰম্পৰা এৰি বিজ্ঞানসন্মত প্ৰকৃতি আহৰণৰ দ্বাৰা আধুনিক যুগত প্ৰৱেশ কৰে। ইউৰোপীয় পণ্ডিতৰ সংস্কৃত ভাষা আৰু ব্যাকৰণ-পদ্ধতিৰ আৱিষ্কাৰে পাশ্চাত্য ভাষা-চিন্তাক



Scanned with CamScanner

এক নতুন মাত্রা প্রদান কৰে। গ্রীক, লেটিন আদি ভাষাৰ উৎস আৰু সাদৃশ্যৰ সন্ধানৰ সৈতে সংস্কৃতৰ সংযোগে ভাষা-অধ্যয়নৰ এটা নতুন ধাৰাৰ উন্মেষৰ পথ প্রশস্ত কৰি তোলে। এই নতুন ধাৰাটো **Philology, Comparative Philology** তথা **Historical Linguistics** (অসমীয়াত ভাষাতত্ত্ব) হিচাপে জনাজাত হয়। পূৰ্বোল্লিখিত ছাৰ ইউলিয়াম জ'নছ ইয়াৰ প্রবর্তক। জ'নছৰ চিন্তাক জার্মান পণ্ডিতসকলে বিস্তৃত ৰূপ প্রদান কৰে আৰু সংস্কৃত-গ্রীক-লেটিন-কেল্‌টীয়-গোথীয় আদি ভাষাৰ তুলনামূলক অধ্যয়নৰ যোগেদি ইবিলিকৰ মূল যে এক আদিম ভাষা, তাক প্রতিপন্ন কৰে। এই ধাৰাৰ ভাষা-বিশ্লেষণ-পদ্ধতিৰ ঘাই বৈশিষ্ট্য হ'ল— আলোচ্য ভাষাবোৰৰ শব্দ আৰু তাৰ সৈতে জড়িত ধ্বনিৰ আধাৰত সিবোৰৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্য, অতীত ইতিহাস, পৰিৱৰ্তনৰ প্রকৃতি আৰু মূল উৎসৰ অনুসন্ধান।

উনবিংশ শতিকাৰ প্রথমার্ধত এই ধাৰাৰ ভাষা-বিশ্লেষণ তুলনামূলক অধ্যয়নৰ মাজত সীমাবদ্ধ আছিল। এই ক্ষেত্রত অগ্রণী ভূমিকা লৈছিল ফ্রিয়েড্রিখ ভন শ্লেগেল, অগষ্ট ভন শ্লেগেল, ৰাছমাছ ক্রিষ্টিয়ান ৰাস্ক, উইলহেম ভন হামব'ল্ট, জেক'ব গ্রিম, ফ্রেন্‌জ ব'প, অগষ্ট শ্লেইছাৰ আদি পণ্ডিতে। সেই একেই শতিকাৰ দ্বিতীয়ার্ধত তুলনামূলক অধ্যয়নৰ পৰিসীমা এৰি ই ঐতিহাসিক অধ্যয়নলৈ প্রসাৰিত হয়। পূর্বোক্ত ৰাস্ক, ব'প আৰু গ্রিমক ঐতিহাসিক ধাৰাৰ প্রতিষ্ঠাপক আখ্যা দিয়া হৈছে। এইটো ধাৰালৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা আনকেইগৰাকীমান উল্লেখযোগ্য পণ্ডিত হ'ল—কার্ল ব্রুগমেন, বেৰথ'ল্ড ডেলব্রূক, হাৰমান অ'ছথ'ফ, হাৰমান পল, উইলিয়াম ডুইট হুইটনী আদি।

উনবিংশ শতাব্দীৰ ভাষা-অধ্যয়নত স্বকীয় দৃষ্টিভংগীৰে ব্যতিক্রমধর্মী তথা মৌলিক অৰদান আগবঢ়োৱা ভাষাতত্ত্ববিদগৰাকী হৈছে উইল্‌হেম ভন হামব'ল্ট (১৭৬৭-১৮৩৫ খ্রীঃ)। এওঁৰ ভাষা-চিন্তা সম্পূর্ণৰূপে ইতিহাস-আশ্রিত আছিল বুলি একে আষাৰে ক'বলৈ টান। পৰৱৰ্তী কালত **উদ্ভাৱিত সমকালিক (Synchronic)** আৰু **ক্রমকালিক (Diachronic)** এই দুটা ভাগেৰে এইগৰাকী পণ্ডিতৰ ভাষা-চিন্তাক স্পষ্টভাৱে ভাগ কৰিব নোৱাৰিলেও, সামান্য ভাষাবিজ্ঞানৰ ভালেমান সূত্ৰৰ যথাযোগ্য ব্যাখ্যা এওঁৰ আলোচনাৰ মাজত পোৱা যায়।

উনবিংশ শতাব্দীৰ অন্তিম পৰ্বত ভাষাৰ তুলনাত্মক আৰু ঐতিহাসিক অধ্যয়নৰ বস্তুবিজ্ঞানভিত্তিক ব্যাখ্যাৰে এক নতুন ভাষা-অধ্যয়ন-প্রক্রিয়াৰ উদ্ভৱ হয়। অগষ্ট শ্লেইছাৰে এই ধাৰাৰ প্রৱক্তাসকলক **'নব্য বৈয়াকৰণ'** (Neogrammarian or Junggrammatiker) আখ্যা দিছে। এইচ্ ষ্টেইনথ'ল (১৮২৩-১৮৯৯ খ্রীঃ) হ'ল এই ধাৰাৰ প্রতিষ্ঠাতা। এওঁলোকৰ মতে ভাষাৰ ধ্বনি-পৰিৱৰ্তন এক যান্ত্রিক প্রক্রিয়াৰ পৰিণতি আৰু ই নিৰ্দিষ্ট নিয়মৰ অধীন। ইয়াৰ কোনো ব্যতিক্রম থাকিব নোৱাৰে। সাদৃশ্যজনিত শব্দ, ঋণকৃত শব্দ আৰু বৈয়াকৰণিক ৰূপৰ বাহিৰে উপভাষা একোটাৰ অন্তর্গত একে ধ্বনিৰ একে পৰিৱেশত, নিৰ্দিষ্ট সময়ত, একে ধৰণৰ পৰিৱৰ্তন হয়। ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ এই নতুন ব্যাখ্যাই জেক'ব গ্রিম

আৰু তেওঁৰ অনুগামীসকলৰ দ্বাৰা আৱিষ্কৃত ধ্বনি-নিয়মৰ ব্যতিক্ৰমবোৰ দূৰীকৰণত সহায় কৰাৰ উপৰি প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰতি সজাগ হ'বলৈকো অনুপ্ৰেৰণা যোগায়।

'নব্য-ব্যাকৰণ' ধাৰাৰ উল্লেখযোগ্য চিন্তাবিদসকল হৈছে কাৰ্ল ব্ৰুগমেন, হাৰ্মান পল, বি. ডেলব্ৰুক, জুলিয়াছ জ'লি, অ'. শ্ৰেদাৰ, পিটাৰ গিলছ, জে. ৰাইট, এ. মিলেট আদি। আধুনিক বৰ্ণনাত্মক ভাষা-অধ্যয়নৰ আমেৰিকীয় ধাৰাটোৰ প্ৰতিষ্ঠাতা ফ্ৰেন্‌জ বোআজ, এডোৱাৰ্ড ছেপিৰ আৰু লেনাৰ্ড ব্লুমফিল্ড নব্য-ব্যাকৰণ ধাৰাৰে আগশাৰীৰ শিষ্য আছিল।

সি যি কি নহওক, অষ্টাদশ শতিকাৰ শেষ ভাগৰ পৰা বিংশ শতাব্দীৰ প্ৰাৰম্ভণলৈকে পাশ্চাত্য জগতত হোৱা ভাষা-অধ্যয়নক ভাষাতত্ত্ব (**Philology / Comparative philology**) অভিধাৰে বুজোৱা হয়। ইতিমধ্যে ফ্ৰান্সত ভাষা-অধ্যয়ন বুজাবলৈ লেটিন Lingua আৰু Istique শব্দৰ সমাহাৰত সৃষ্টি হোৱা **Linguistique** শব্দটো জনপ্ৰিয় হৈ উঠে। তাৰপৰা ইংৰাজীত **Linguistics** অভিধাৰ প্ৰচলন হয়। ফলত উনবিংশ শতাব্দীৰ ভাষা-চিন্তাক **Historical Linguistics** শব্দগুচ্ছৰে সামৰি লোৱা হয়।

কোনো ভাষাৰ ইতিহাস নিৰ্ণয় অথবা সেই ভাষাৰ সৈতে অন্য ভাষাৰ তুলনা কৰাৰ পূৰ্বে আলোচ্য ভাষা বা ভাষাবোৰৰ যুগ সাপেক্ষ ৰূপবোৰৰ গাঁথনিক বিশেষত্বসমূহ উদ্‌ঘাটন কৰি লোৱাটো একান্ত আৱশ্যক। উনবিংশ শতাব্দীৰ তুলনাত্মক বা ঐতিহাসিক ভাষাতাত্ত্বিকসকলে আলোচ্য ভাষাৰ গাঁথনিক ৰূপবোৰ সাহিত্যৰ ভাষাৰপৰা আহৰণ কৰি লৈছিল। বিংশ শতাব্দীৰ প্ৰাৰম্ভণত ইউৰোপ আৰু আমেৰিকাত মানুহৰ মুখৰ স্বাভাৱিক কথ্য ভাষাৰ বিৱৰণৰ প্ৰতি দায়বদ্ধতা দেখুৱাই ভাষা-অধ্যয়নৰ দুটা নতুন ধাৰাৰ উন্মেষ ঘটে। ইয়াৰে ইউৰোপীয় ধাৰাটো বিকশিত হয় ছুইছ ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য ছছুৰৰ (১৮৫৭-১৯১৩ খ্ৰীঃ) ভাষা সম্পৰ্কীয় কেইটিমান মৌলিক সিদ্ধান্তৰ পৰা; আনহাতে আমেৰিকীয় ধাৰাটোৰ উদ্ভৱ হয়—ইণ্ডো-আমেৰিকীয় প্ৰজাতিসমূহৰ ভাষা-সংস্কৃতিৰ অধ্যয়ন কৰিবলৈ যোৱা নৃবিজ্ঞানী ফ্ৰেন্‌জ বোআজৰ (১৮৫৮-১৯৪২ খ্ৰীঃ) ধ্যান-ধাৰণাৰপৰা। ছছুৰৰ সূত্ৰসমূহক সাকাৰ ৰূপ দিয়ে ইউৰোপীয় পণ্ডিতসকলে আৰু মাৰ্কিন ধাৰাটোক পদ্ধতিগত ৰূপত তুলি ধৰে এডোৱাৰ্ড ছেপিৰে (১৮৮৪-১৯৩৯ খ্ৰীঃ)। ছেপিৰৰ সূত্ৰসমূহক বিজ্ঞানসন্মতভাৱে ভাষা-বিশ্লেষণত প্ৰয়োগ কৰে লেনাৰ্ড ব্লুমফিল্ডে (১৮৮৭-১৯৪৯ খ্ৰীঃ)। গাঁথনিক ভাষাবিজ্ঞান (**Structural Linguistics**) আৰু **বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)**-ৰূপে জনাজাত যথাক্ৰমে ইউৰোপীয় আৰু আমেৰিকীয় ধাৰা দুটাৰ একত্ৰীকৰণেই জন্ম দিয়ে যথাৰ্থ আধুনিক ভাষাবিজ্ঞানৰ। ভাষাৰ এককালিক বিচাৰ-বিশ্লেষণ এই নতুন ধাৰাৰ মূল বিশেষত্ব।

ভাষা-বিশ্লেষণ-প্ৰক্ৰিয়াক এক স্বতন্ত্ৰ শ্ৰেণীৰ বিজ্ঞানৰূপে প্ৰতিষ্ঠা কৰা মূল চিন্তাবিদজন হৈছে অধ্যাপক ফাৰ্ডিনাণ্ড দ্য ছছুৰ। এই গৰাকী পণ্ডিতৰ মৰণোত্তৰভাৱে



Scanned with CamScanner

১৯১৬ চনত প্ৰকাশিত **Cours de linguistique générale** নামৰ গ্ৰন্থখনৰ মাজেৰে তেওঁৰ ভাষা সম্পৰ্কীয় মৌলিক ধ্যান-ধাৰণা উন্মোচিত হৈছে। ছ্যছুৰক সেইবাবেই 'আধুনিক ভাষাবিজ্ঞানৰ পিতৃপুৰুষ' আখ্যা দিয়া হৈছে।

ছ্যছুৰীয় ধ্যান-ধাৰণাৰ সমপৰ্যায়ৰ চিন্তাৰে আমেৰিকাত ফ্ৰেন্জ বোআজৰ দ্বাৰা বৰ্ণনাত্মক ভাষাবিজ্ঞান ধাৰাৰ উদ্ভৱ হয়। বোআজৰ **A Handbook of American Indian Language** (১৯১১ খ্ৰীঃ)-ত তেওঁৰ ভাষাবৈজ্ঞানিক ধ্যান-ধাৰণা বিধৃত হৈছে। ইয়াৰ আঁত ধৰি ১৯২১ চনত এডোৱাৰ্ড ছেপিৰে **Language** শীৰ্ষক গ্ৰন্থ ৰচনা কৰে। লেনাৰ্ড ব্লুমফিল্ডে ১৯৩৩ চনত তেওঁৰ অন্যতম কীৰ্তিস্তম্ভ **Language** প্ৰকাশ কৰি এই নতুন ধাৰাটোক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰে। আধুনিক ভাষাবিজ্ঞানক সৰবৰহী কৰি তোলাত এইগৰাকী ভাষা-চিন্তাবিদৰ অৰিহণা আটাইতকৈ বেছি। এই ধাৰাৰ অন্যান্য চিন্তাবিদৰ ভিতৰত এইচ. এ. গ্লীছন, চাৰ্লছ এফ.হকেট, মাৰ্টিন জু, বাৰ্ণাৰ্ড ব্লখ, জৰ্জ ট্ৰেগাৰ, জেলিগ হেৰিছ আদিৰ নাম উল্লেখযোগ্য। ব্লুমফিল্ডৰ পৰৱৰ্তী কালৰ সবাতোকৈ উল্লেখযোগ্য গ্ৰন্থ হৈছে জেলিগ হেৰিছৰ (১৯০৯-১৯৯২ খ্ৰীঃ) **Methods in Structural Linguistics** (১৯৫১)।

### ১.৬.৫ সাম্প্ৰতিক যুগ

আধুনিক বৰ্ণনাত্মক বা গাঁথনিক ভাষাবিজ্ঞান ধাৰাৰ উল্লেখযোগ্য বৰঙণি হ'ল —বৰ্ণ, প্ৰাকৃতি আৰু বাক্যৰ **আসন্ন অঙ্গ-বিশ্লেষণ** (IC Analysis)-ৰ বিজ্ঞানসম্মত ব্যাখ্যা। কিন্তু এই ধাৰাত বাক্যৰ গাঁথনিক ক্ৰমৰ ওপৰত মাত্ৰাধিক গুৰুত্ব প্ৰদানৰ হেতু অৰ্থৰ দিশটো গৌণ হৈ পৰে। ফলত অগ্ৰহণীয় বাক্য তথা অসম্ভৱ কথাও কেৱল গঠনৰ শুদ্ধতাৰ খাতিৰতে শুদ্ধ বাক্যৰূপে প্ৰতিষ্ঠা কৰাৰ সুৰুঙা ৰৈ যায়। ইয়াৰ পৰিণতি স্বৰূপে বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে **ৰূপান্তৰ উৎপাদক ব্যাকৰণ (Transformational Generative Grammar)** নামৰ এক নতুন ভাষাবৈজ্ঞানিক তত্ত্বৰ উদ্ভৱ হয়। ১৯৫৭ চনত মাৰ্কিন চিন্তাবিদ এব্ৰাম নোআম চমস্কি (১৯২৮)-ৰ **Syntactic Structures**-ৰ প্ৰকাশেৰে উদ্ভৱ হোৱা এই তত্ত্ব আৰু তাৰ পৰৱৰ্তী বিকাশকে ভাষা-চৰ্চাৰ ইতিহাসত সাম্প্ৰতিক যুগৰূপে অভিহিত কৰিব পাৰি।

চমস্কিয়ে দেখুৱালে যে গাঁথনিক ভাষাবিজ্ঞানীসকলে কোৱাৰ দৰে কেৱল অভ্যাস বা পুনৰুক্তিৰ দ্বাৰা মানুহে ভাষা আহৰণ নকৰে। তেনে হোৱা হ'লে মানুহে নিত্য নতুন বাক্য স্ৰজন নকৰি একেবোৰ বাক্যকে দোহাৰি থাকিলহেঁতেন। চমস্কিৰ মতে ভাষাৰ গাঁথনিৰ সৈতে মানৱ-মনৰ গাঁথনিৰ সম্পৰ্ক আছে। ভাষা মানুহৰ জন্মগত সামৰ্থ্য আৰু এই সামৰ্থ্যই মানৱ-প্ৰকৃতিৰ স্বৰূপ নিৰ্ণয় কৰে। ভাষা একোটাৰ ব্যাকৰণসন্মত বা গ্ৰহণীয় বাক্যৰ সংখ্যা অসীম। কিন্তু তাক ব্যাখ্যা কৰা ৰূপতাত্ত্বিক নিয়ম নিচেই সীমিত। এই সীমিত নিয়মসমূহৰ আধাৰত অসীম সংখ্যক বাক্যৰ সুস্পষ্ট ব্যাখ্যাই 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ'। এহাতে 'ৰূপান্তৰ' আৰু

Scanned with CamScanner

আনহাতে 'সৃজনধৰ্মিতা'—এই দুয়োটা বিষয় একেলগে জড়িত হৈ থকা বাবে ইয়াক ৰূপান্তৰ উৎপাদক ব্যাকৰণ বোলা হৈছে। 'ৰূপান্তৰ' অভিধাৰ অৰ্থ হ'ল— এটা বাক্যক অন্য এটা শ্ৰেণীলৈ (যেনে—সদৰ্থক বাক্যক নঞৰ্থকলৈ বা প্ৰশ্নসূচকলৈ) সলনি কৰা; আনহাতে 'সৃজনধৰ্মিতা' হ'ল মাতৃভাষীয়ে স্বাভাৱিকভাৱে হৃদয়ঙ্গম কৰি লোৱা ভাষাটোৰ সীমিত সংখ্যক নিয়মৰ সহায়ত নতুন নতুন বাক্যৰ উৎপাদন কৰা।

Syntactic Structures (১৯৫৭)-ৰ পাছত চমস্কিৰ কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ প্ৰকাশ পায়। সেইবোৰৰ ভিতৰত **Aspects of the Theory of Syntax** (১৯৬৫), **Topics in the Theory of Generative Grammar** (১৯৭৫), **Language and Problems of Knowledge** (১৯৮৮), **The Minimalist Program** (১৯৯৫) আদিৰ নাম ল'ব পাৰি। এই গ্ৰন্থবোৰত তেওঁৰ ভাষাবৈজ্ঞানিক ধ্যান-ধাৰণা বিধৃত হৈছে। ডেভিড ক্ৰিষ্টলৰ ভাষাত ব্লুমফিল্ডৰ পৰৱৰ্তী গাঁথনিক ভাষা-চিন্তাৰ সৰ্বোৎকৃষ্ট বিকল্প হৈছে চমস্কীয় তত্ত্ব। এই তত্ত্বৰ বিকাশত অৰিহণা যোগোৱা অন্য কেইগৰাকীমান ভাষাচিন্তাবিদ হ'ল— কেয়, পেৰেইৰা, শ্যিয়েবাৰ, ব্ৰেছনান, থম্পছন, উইজ্‌নগাৰ্ডেন, ষ্টুকী, কাট্‌জ প'ষ্টেল আদি।

১৯৫৭ চনৰ পাছৰ পৰা চমস্কীয় ধাৰাৰ সমৰ্থন অথবা বিৰোধিতা কৰি **Generalised Phrase Structure Grammar, Lexical-functional Grammar, Relational Grammar, Realistic Grammar, Network Grammar, Case for Case Theory, X-bar Theory** আদি বিভিন্ন তত্ত্বৰ উদ্ভৱ হয়। ইয়াৰে প্ৰায় আটাইবোৰতে চমস্কিৰ অনুকৰণত **Linguistics**-ৰ ঠাইত **Grammar** শব্দৰ মুক্ত ব্যৱহাৰ লক্ষ্য কৰিব পাৰি।

কুৰি শতিকাৰ মধ্যভাগত ব্লুমফিল্ডীয় গাঁথনিক বা বৰ্ণনাত্মক ধাৰাৰ পৰা ফালৰি কাটি স্বকীয় চিন্তাৰে কেইবাগৰাকী ভাষা-চিন্তাবিদে নিজ নিজ তত্ত্ব প্ৰতিষ্ঠা কৰা দেখা যায়। সেইবোৰৰ ভিতৰত কে. এল. পাইকৰ (১৯১২-) **Tagmemics**, ৰিচাৰ্ড মণ্টাজৰ (১৯৩০-১৯৭০) মণ্টাজ ব্যাকৰণ, লুচিয়েঁ টেছনিয়েৰৰ (১৮৯৩-১৯৫৪) **Dependency Grammar**, হাডছনৰ **Word Grammar**, এম. এ.কে. হেলিডেইৰ (১৯২৫-) **Scale and Category Grammar**, জেমশ্লেৰৰ **Glossematics**, চিড়নি লেমৰ (১৯২৯-) **Stratificational Grammar**, কে. আজুকিৰিক্জৰ **Categorial Grammar** আদিৰ নাম উল্লেখনীয়।

অধুনা কালত **Pragmatics, Sociolinguistics, Stylistics** আদি তত্ত্বৰ বিকাশে ভাষা-চিন্তাৰ দিগন্ত যথেষ্ট সম্প্ৰসাৰিত কৰিছে। তদুপৰি, চমস্কীয় ধাৰাৰ তত্ত্বগত দিশবোৰে ভাষাবিজ্ঞানীসকলক দৰ্শন বিদ্যাৰ প্ৰতি আৰু তাৰ বিপৰীতে দাৰ্শনিকসকলক ভাষা-চিন্তাৰ প্ৰতি আকৰ্ষিত কৰাটো সাম্প্ৰতিক কালৰ উল্লেখযোগ্য পৰিঘটনা। **Linguistic Analysis** শীৰ্ষক বিষয়টো দৰ্শন-শাস্ত্ৰৰ অন্যতম শাখাৰূপে পৰিগণিত হোৱাটোৱেই তাৰ প্ৰমাণ। বৰ্তমান কালত ভাষাবিজ্ঞান ভাষা-বিশ্লেষণ প্ৰক্ৰিয়াতে সীমাবদ্ধ নাথাকি সাহিত্য-সমালোচনা, নৃতত্ত্ব, জনকৃষ্টি আদি

Scanned with CamScanner

মানৱ-বিদ্যালৈকো সম্প্ৰসাৰিত হৈছে। কিন্তু, সেয়ে হ'লেও, ঊনবিংশ শতাব্দীৰ ভাষা-চৰ্চাৰ সৈতে সাহিত্যৰ যি আন্তৰিক সংযোগ ঘটিছিল, এতিয়া সি বিচ্ছিন্নপ্ৰায়।

পুৰণি কালত গ্ৰীক ভাষা-চিন্তাবিদসকলে ভাষা-চিন্তাক দৰ্শন বিদ্যাৰ এক অঙ্গৰূপে গণ্য কৰিছিল। পৰৱৰ্তী সময়ত ই দাৰ্শনিক ধ্যান-ধাৰণাৰ পৰা আঁতৰি এক স্বতন্ত্ৰ বিদ্যাৰূপে প্ৰতিষ্ঠা লাভ কৰে। সম্প্ৰতি ই পুনৰ দৰ্শনমুখী হ'বলৈ লৈছে। পাৰ্থক্য মাথো ইমানেই যে, এইবাৰ ভাষা-অধ্যয়নৰ নিজস্ব এখন ক্ষেত্ৰ আছে। এই বিদ্যাৰ ক্ৰমাগত উত্তৰণে মানৱ-মন আৰু প্ৰকৃতিৰ স্বৰূপ উদ্‌ঘাটন কৰি মানৱ-সভ্যতাক আৰু এঢাপ আগুৱাই যোৱাত সহায় কৰিব।

Scanned with CamScanner